# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-01-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

বিগত ১১ বছৰত উত্তৰ পূৰ্বাঞ্চলত ৭ হাজাৰ ২০০ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা হৈছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে প্ৰকাশ কৰিছে। তেওঁ কয় যে ইয়াৰ ফলত দূৰণিবটীয়া দুৰ্গম এলেকা, পাৰ্বত্য এলেকা, জনজাতি বসতিপ্ৰধান অঞ্চল আৰু সীমান্ত এলেকাসমূহৰ সৈতে যোগাযোগ সুচল হৈছে। বাজেট অধিবেশনৰ আজি প্ৰথম দিনা সংসদৰ উভয় সদনক উদ্দেশি ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে গ্ৰামাঞ্চলৰ উন্নয়ন আৰু কৰ্মসংস্থাপন সৃষ্টিৰ উদ্দেশ্যে বিকশিত ভাৰত জি ৰাম জি নামৰ এখন আইন প্ৰণয়ন কৰা হৈছে। এই নতুন আইনৰ জৰিয়তে গাঁওসমূহত ১২৫ দিনৰ কৰ্মসংস্থাপন নিশ্চিত কৰাৰ লগতে একে সময়তে আইনখনে দুৰ্নীতি নিয়ন্ত্ৰণ আৰু হৰলুকি ৰোধ কৰাত সহায় কৰিব বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। তেওঁ কয় যে যোৱা ১০-১১ বছৰত প্ৰতিটো খণ্ডত দেশৰ ভেটি সুদৃঢ় হৈছে আৰু ২০২৬ বৰ্ষটো বিকশিত ভাৰত যাত্ৰাৰ গুৰুত্বপূৰ্ণ আধাৰৰূপে পৰিগণিত হ'ব।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ গোলাঘাট বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ৩৬ হাজাৰ ৮৭৩ গৰাকী সদস্যাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা পুঁজিৰ ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰিব। ড° শৰ্মাই লগতে জিলাখনত ৩১৩ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি শিৱসাগৰৰ ডিমৌ আৰু ৰঙানদী সমষ্টিৰ আত্মসহায়ক গোটৰ সদস্যাসকলৰ মাজত উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰে। তেওঁ মহিলাসকলক এই ধনৰাশিৰ সঠিক ব্যৱহাৰেৰে স্বাৱলম্বনৰ বাট মুকলি কৰিবলৈ আহ্বান জনায়।

০০০০০

ভোটাৰ তালিকাৰ পুনৰীক্ষণ প্ৰক্ৰিয়াত অবৈধ বিদেশী নাগৰিকৰ বিৰুদ্ধে অভিযোগ দিয়াটোক জাতীয় দায়িত্ব হিচাপে গণ্য কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে। শিৱসাগৰত আজি উদ্যমিতা পুজিৰ চেক বিতৰণৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যৰ জাতীয় দল-সংগঠনেও নিৰ্বাচন আয়োগত অভিযোগ দাখিল কৰাটো প্ৰয়োজন। বিদেশী বুলি সন্দেহ কৰা ৫ লাখতকৈও অধিক লোকৰ বিৰুদ্ধে বিজেপিৰ কৰ্মীসকলে ইতিমধ্যে অভিযোগ দাখিল কৰিছে বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰে। তেওঁ কয় যে, পৰৱৰ্তী সময়ত নিৰ্বাচন আয়োগে এই অভিযোগ সন্দৰ্ভত বিবেচনা কৰিব।

উল্লেখযোগ্য যে ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ সংশোধনী প্ৰক্ৰিয়া আগবঢ়াই নিয়াৰ দিশত অধিক সংবেদনশীল আৰু দায়িত্বশীল হোৱাৰ বাবে আহ্বান জনাই কালি সদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যৰ মুখ্য নিৰ্বাচনী

বিষয়ালৈ এখন দাবী পত্ৰ প্ৰেৰণ কৰে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বজালী জিলা সমিতিয়েও আজি এই প্ৰক্ৰিয়া স্বচ্ছতাৰে সম্পন্ন কৰাৰ দাবীৰে মুখ্য নিৰ্বাচনী বিষয়ালৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

০০০০০

ধেমাজি জিলাৰ বগীবিলৰ কাৰেং চাপৰিত ৫ দিনীয়াকৈ অনুষ্ঠিত দশম মিচিং যুৱ মহোৎসৱত জনগোষ্ঠীটোৰ পৰম্পৰা, কলাকৃষ্টি তথা সংস্কৃতিৰ প্ৰদৰ্শন কৰা হৈছে। অসমৰ দ্বিতীয় বৃহৎ জনগোষ্ঠী হিচাপে পৰিচিত মিচিং জনগোষ্ঠীৰ এই যুৱ মহোৎসৱত অৰুণাচল প্ৰদেশৰ আদি, গালো, আপাতানি, নিচি আৰু টাগিন সম্প্ৰদায়ৰ লোকসকলেও অংশগ্ৰহণ কৰি সম্প্ৰীতি তথা ভাতৃত্ববোধৰ নিদৰ্শন দাঙি ধৰিছে। উল্লেখযোগ্য যে মিছিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত পৰহিলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অংশগ্ৰহণ কৰিব। ইয়াৰ বাবে প্ৰস্তুতি অব্যাহত আছে। এই সন্দৰ্ভত ধেমাজীৰ পৰা এয়া আমাৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মা ঃ

**ভইছ কাষ্ট**

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিবলগীয়া কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ নিশাটো ডিব্ৰুগড়ত কটাব। তেওঁ পৰহিলৈ ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰাৰ লগতে এখন জনসভাতো অংশ লব।

০০০০০

বিশাখাপট্টনমত অনুষ্ঠিত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ টি- ২০ ক্ৰিকেট শৃংখলাৰ আজি চতুৰ্থখন খেলত নিউজিলেণ্ডে ভাৰতক জয়ৰ বাবে ২১৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। আমালৈ বাতৰি অহাৰ পৰলৈ ভাৰতে ৬ অভাৰত ২ টা উইকেট হেৰুৱাই ৫৩ ৰান সংগ্ৰহ কৰিছে। ৰিংকু সিঙে ২২ আৰু সঞ্জু চেমচনে ২৩ ৰান কৰি খেলি আছে।

ইয়াৰ পূৰ্বে নিউজিলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ২১৫ ৰান সংগ্ৰহ কৰে। দলৰ হৈ টিম ছেইফাৰ্টে সৰ্বাধিক ৬২ ৰান কৰে। অশদ্বীপ সিং আৰু কুলদীপ যাদৱে দুটাকৈ উইকেট দখল কৰে।

ভাৰতে ইতিমধ্যে পাঁচখনীয়া শৃংখলাৰ প্ৰথম ৩খন খেলত জয়লাভ কৰি শৃংখলাটোত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল অহা ৩১ জানুৱাৰীত তিৰুৱনন্তপুৰমৰ গ্ৰীণ ফিল্ড ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃঃঃঃঃঃঃ